# ভাৰতৰ বৰ্ত্তমান ৰাজনৈতিক পৰিস্থিতি

[ ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ জাতীয় পৰিষদৰ কাৰ্য্যকৰী সমিতিৰ ১৯৭০ চনৰ জুলাই অধিবেশনৰ প্ৰস্তাৱ ]

OKDISCD

অসম ৰাজ্য পৰিষদ
ভাৰতৰ কমিনিষ্ট পাৰ্টি
গুৱাহাটী— ৩

# অসমৰ সকলো পাৰ্টি সদস্যৰ প্ৰতি

প্ৰিয় কমৰেড সকল,

আমাৰ পাৰ্টিৰ ৰাজ্যিক কাৰ্য্যনিৰ্ব্বাহ সমিতিৰ যোৱা ১৭।১৮ আগষ্টত গুৱাহাটীত বহা অধিৱেশনে অসমত পাৰ্টি সদস্য সকলৰ মাজত ৰাজনৈতিক আলোচনাৰ শিথিলতাৰ কথা বিশেষ ভাৱে বিবেচনা কৰে । কাৰ্য্যকৰী সমিতিয়ে সেই শিথিলতা দূৰ কৰাৰ উদ্দেশ্যে সিদ্ধান্ত গ্ৰহণ কৰিছে যে জিলা, স্থানীয় আৰু শাখাৰ সকলো সদস্যই ৰাজনৈতিক আলোচনা সদস্যপদৰ অপৰিহাৰ্য্য দায়িত্ব হিচাবে পালন কৰিব লাগিব ।

বৰ্ত্তমান অৱস্থাত তাৰেই প্ৰথম পদক্ষেপ হিচাবে পাৰ্টিৰ সকলো স্তৰতে যোৱা মে মাহত আমাৰ পাৰ্টিৰ জাতীয় পৰিষদে গ্ৰহণ কৰা ৰাজনৈতিক প্ৰস্তাৱ আৰু যোৱা ২১-২৪ জুলাই তাৰিখে হোৱা জাতীয় পৰিষদৰ কাৰ্য্যকৰী সমিতিৰ ৰাজনৈতিক প্ৰস্তাৱ এই দুই দলিলৰ ব্যাপক ভিত্তিত সমগ্ৰ ৰাজ্যত আলোচনা আৰম্ভ কৰাৰ সিদ্ধান্ত কৰিছে । অহা ১৫ ছেপ্তেম্বৰৰ ভিতৰত জিলা পৰিষদ সমূহৰ বৰ্দ্ধিত অধিৱেশন আৰু ৩০ ছেপ্তেম্বৰৰ ভিতৰত স্থানীয় ইউনিট আৰু শাখা সমূহত আলোচনা শেষ কৰিব লাগিব ।

ৰাজনৈতিক আলোচনাৰ এই সভাত উপস্থিত থকা নথকাটো পাৰ্টি সদস্যৰ কাৰ্ড সলনিৰ সময়ত অন্যতম বিবেচিত বিষয় হ'ব । প্ৰত্যেক পাৰ্টি ইউনিটে ৰাজনৈতিক আলোচনা সভাত উপস্থিত থকা কমৰেডৰ সংখ্যা, কমৰেড সকলৰ মাজত উঠা প্ৰশ্ন সমূহ ৰাজ্যিক কেন্দ্ৰক অক্টোবৰ মাহৰ প্ৰথম সপ্তাহৰ ভিতৰত জনাব লাগিব ।

জাতীয় পৰিষদৰ ৰাজনৈতিক প্ৰস্তাৱ "জনমত"ৰ ৩০ মে তাৰিখৰ সংখ্যাত প্ৰকাশ হৈছিল । কেন্দ্ৰীয় কাৰ্য্যকৰী সমিতিৰ প্ৰস্তাৱ যোৱা ১৫ আগষ্টৰ সংখ্যা "জনমত"ত প্ৰকাশ হোৱাৰ উপৰিও সকলো কমৰেডে যাতে পায় তাৰ কাৰণে পুস্তিকা আকাৰে প্ৰকাশ কৰা হ'ল । এই দুই ৰাজনৈতিক দলিল

OKDISCD

প্ৰত্যেক পাৰ্টি সদস্যই কিনা আৰু পঢ়া বাধ্যতামূলক । ৰাজ্যিক কাৰ্য্যকৰী সমিতিয়ে এতিয়াৰ পৰা জাতীয় পৰিষদ আৰু ৰাজ্যিক পৰিষদৰ ৰাজনৈতিক প্ৰস্তাৱ সমূহ লগে লগে অসমীয়া ভাষাত প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে । জিলা সমূহে ৰাজ্যিক কেন্দ্ৰক প্ৰয়োজনীয় সংখ্যা আগতে জনাই ৰখাৰ কাৰণে আৰু এই পুস্তিকাৰ কাৰণে খনে ১০ পয়চা হিচাবে পঠাই অতি সোণকালে নিয়াৰ ব্যৱস্থা কৰাৰ কাৰণে জনোৱা হ'ল ।

অভিনন্দন সহ

ফণী বৰা

১ছেপ্তেম্বৰ

কমিউনিষ্ট পাৰ্টিৰ

ৰাজ্যিক কাৰ্য্যালয়

গুৱাহাটী—৩

সম্পাদক ৰাজ্য পৰিষদ

ভাৰতৰ কমিউনিষ্ট পাৰ্টি

OKDISCD

# বৰ্ত্তমান ৰাজনৈতিক পৰিস্থিতি

## ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ কাৰ্য্যকৰী সমিতিৰ প্ৰস্তাৱ

[ ২১-২৪ জুলাইত দিল্লীত বহা অধিৱেশনত গৃহীত ]

আমাৰ দেশত সাম্প্ৰতিকে ঘটা ঘটনা সমূহে এই কথাই প্ৰমাণ কৰে যে ভাৰতৰ ৰাজনৈতিক জীৱনত এহাতে প্ৰতিক্ৰিয়া আৰু আনহাতে প্ৰগতিৰ মাজত অত্যন্ত তীব্ৰ আৰু দ্ৰুতগতিত পাৰ্থক্য বাঢ়ি যাবলৈ ধৰিছে।

ভাৰতৰ কমিউনিষ্ট পাৰ্টি, সদৌ ভাৰত কৃষক সভা আৰু সদৌ ভাৰত কৃষি শ্ৰমিক সংঘৰ নেতৃত্ব সমগ্ৰ দেশতে, দুখীয়া খেতিয়ক, কৃষি বনুৱা আৰু জনজাতীয় সকলৰ মাটি দখল গণ অভ্যুত্থান সাম্প্ৰতিক কালৰ সৰ্ব্ববৃহৎ বাস্তৱ ঘটনা। স্বাধীনতাৰ পৰৱৰ্ত্তী সময়ত প্ৰথম বাৰৰ কাৰণে সমগ্ৰ দেশ ব্যাপী সংগঠিত ভাৱে সামন্তবাদৰ বিৰুদ্ধে আৰু মাটিৰ দাবীত গণ অভ্যুথান আৰম্ভ হৈছে।

প্ৰথম পৰ্য্যায়তেই ই সফলুতাও লাভ কৰিছে। অনেক ঠাইত দুখীয়া খেতিয়ক সকলে নিজা ৰবীয়াকৈ আন্দোলন আৰম্ভ কৰিছে। স্বকীয়া কাৰ্য্যসূচীৰে সংযুক্ত চ'চিয়েলিষ্ট পাৰ্টি, প্ৰজা চ'চিয়েলিষ্ট পাৰ্টি আদি বামপন্থী দলেও সত্যাগ্ৰহ আদিৰ মাধ্যমেৰে এই আন্দোলনৰ পথত আগবাঢ়িছে। মাটি দখলৰ দাবীক তেওঁলোকৰ কাৰ্য্যসূচীৰ অন্যতম প্ৰধান দাবী হিচাবে গ্ৰহণ কৰিছে।

একাধিক ৰাজ্য চৰকাৰ এই আন্দোলনৰ ফলত সচেষ্ট হৈছে, এই আন্দোলনৰ দাবীৰ যৌক্তিকতা স্বীকাৰ কৰিছে আৰু এই সন্দৰ্ভত তেওঁলোকে ল'ব খোজা ব্যৱস্থাৰ কথা সদৰি কৰিবলৈ বাধ্য হৈছে।

OKDISCD

## সামন্তবাদৰ প্ৰতি তীব্ৰ আঘাত

এই আন্দোলনৰ তীব্ৰতা আৰু বিস্তৃতি লাভে কেৱল সামন্তবাদী আৰু সোঁপন্থী প্ৰতিক্ৰিয়াশীল শক্তিৰ প্ৰতিয়ে নহয় ইন্দিৰাপন্থী কংগ্ৰেছত থকা আৰু একাধিক ৰাজ্য চৰকাৰৰ হৰ্ত্তা-কৰ্ত্তা-বিধাতা বৃহৎ মাটি মালিক বিলাকৰ প্ৰতিও তীব্ৰতম আঘাত।

কিন্তু এই সময় চোৱাৰ আটাইটকৈ বিপদজনক ঘটনাটো হ'ল—সোঁপন্থী প্ৰতিক্ৰিয়াশীল শক্তি সমূহৰ 'বৃহৎ জোঁট' গঠনৰ প্ৰচেষ্টা। দেশৰ এই গণ অভ্যুত্থান আৰু জনসাধাৰণৰ মাজত দেখা দিয়া বামপন্থী চিন্তাধাৰাত অতিষ্ঠ হৈ দোৰ্দ্দোৰ প্ৰতিক্ৰিয়াশীল আৰু সাম্প্ৰদায়িক দল—ছিণ্ডিকেট, কংগ্ৰেছ, স্বতন্ত্ৰ আৰু জনসংঘই 'বৃহৎ জোঁট'ৰ আঁচনি লৈছে। কমিউনিষ্ট বিদ্বেষ, একচেটীয়া পুঁজিবাদ আৰু সামন্তবাদী মাটি মালিকৰ স্বাৰ্থৰক্ষা, উগ্ৰ সাম্প্ৰদায়িকতাবাদ, ছোভিয়েত বিৰোধী আৰু মাৰ্কিন সাম্ৰাজ্যবাদে এচিয়াক গ্ৰাস কৰিবলৈ লোৱা নৱ উপনিবেশবাদৰ সমৰ্থনত বৈদেশিক নীতি নিৰ্দ্ধাৰণ আদিয়েই হ'ল এই তথাকথিত প্ৰতিক্ৰিয়াশীল শক্তিৰ মূল লক্ষ্য। "ভাৰত ৰক্ষা, গণতন্ত্ৰ ৰক্ষা" কৰাৰ ছেলুতে সিহঁত প্ৰতিবিপ্লৱীৰ ভূমিকাত অৱতীৰ্ণ হ'ব।

এই মিত্ৰতাৰ সূত্ৰ প্ৰথমতে উদ্ভাৱন কৰিছিল—মেৰাৰাজী, মাধোক আৰু মাচানিয়ে। এতিয়া ছিণ্ডিকেট কংগ্ৰেছ, স্বতন্ত্ৰ আৰু জনসংঘই ইয়াত অনুমোদন জনাইছে।

চণ্ডীগড়ত হৈ যোৱা জনসংঘৰ সাধাৰণ পৰিষদৰ সিদ্ধান্তই এই কথা প্ৰমাণ কৰে যে এই দলে ইয়াৰ গণ-সমৰ্থন আৰু আৰ, এছ, এছ,ক শক্তি হিচাবে লৈ প্ৰতিক্ৰিয়াশীল শক্তি সমূহক একত্ৰিত কৰি 'প্ৰতিবিপ্লৱী জোঁট গঠনত বদ্ধ পৰিকৰ। তেনে এটি জোঁটৰ প্ৰতি ছিণ্ডিকেটে জনোৱা আহ্বানক উচ্চ স্বৰে প্ৰশংসা কৰি জনসংঘই ঘোষণা কৰিছে যে—"লোকসভাৰ ভিতৰতে ইয়াক আৰম্ভ কৰিব পাৰি।"

OKDISCD

"শাসক কংগ্ৰেছ,—কমিউনিষ্ট আৰু লীগৰ কৱলৰ পৰা ভাৰতক ৰক্ষা কৰাৰ তথাকথিত সঙ্কল্প জনসঙ্ঘ দলৰ চণ্ডীগড় অধিবেশনে গ্ৰহণ কৰিছে। একে উদ্দেশ্যৰ কথাকেই ছিণ্ডিকেট কংগ্ৰেছ আৰু স্বতন্ত্ৰ দলেও ঘোষণা কৰিছে। পূব পাকিস্তানৰ পৰা অহা ভগনীয়াৰ প্ৰশ্নৰ ছেলুতেই সাম্প্ৰদায়িকতাৰ বিষাক্ত বীজ ৰোপণৰ প্ৰয়াস পাইছে। "ভাৰত চৰকাৰে মস্কোৰ নিৰ্দ্দেশত কাম কৰাৰ" অসত্য অভিযোগ তুলি ভাৰতৰ বৈদেশিক নীতি সলনিৰ আহ্বান জনাইছে। দক্ষিণ পূব এচিয়াত মাৰ্কিন সাম্ৰাজ্যবাদে নৱ-উপনিৱেশবাদৰ নীতিৰ সমৰ্থনত আৰু চায়গণ, বেঙ্কক, চিউল আদিত থকা সাম্ৰাজ্যবাদৰ হাতৰ পুতলা শাসক গোষ্ঠীৰ অনুৰূপ বহতীয়া চৰকাৰ আৰু বৈদশিক নীতি গ্ৰহণত এই দল আগ্ৰাহন্বিত।

জনসঙ্ঘ দলে জনসাধাৰণৰ চাকৰিৰ অধিকাৰ, মাটিৰ অধিকাৰ আদিৰ প্ৰয়োজনৰ ডাঙৰ কথা কয়; কিন্তু বাস্তৱত নগ্নভাৱে তাৰ বিৰোধিতা কৰে। কৰ্ম্ম সংস্থান অথবা মাটিৰ অধিকাৰৰ দাবীত সামন্তবাদ আৰু একচেটীয়া পুঁজিবাদৰ বিৰুদ্ধে চলা আন্দোলনক "নক্সাল্ পন্থীৰ কাৰ্য্য কলাপ" হিচাবে আখ্যাদি এই আন্দোলনৰ ন্যায্যতা আৰু যুক্তিক অস্বীকাৰ কৰিছে। ৰাজন্যবৰ্গৰ দোৰ্ঘোৰ সমৰ্থক ভূমিকাত অৱতীৰ্ণ হৈছে—সংবিধানৰ "সম্পত্তিৰ অধিকাৰ" সম্পৰ্কীয় দখলৰ কথা উনুকিয়াইছে।

এই প্ৰতিক্ৰিয়াশীল শক্তি সমূহৰ মাজতো বিৰোধ আছে। গণতান্ত্ৰিক অন্দোলনৰ স্বাৰ্থত এই বিৰোধকো কামত খটুৱাব পাৰি। কিন্তু এই বিৰোধ মৌলিক নীতিগত বা উদ্দেশ্য সম্পৰ্কীয় বিৰোধ নহয়, ই জোঁটৰ কৃতকাৰ্যতা সম্পৰ্কীয় নীতি কৌশল আৰু নেতৃত্বৰ প্ৰশ্ন লৈ হোৱা বিৰোধ।

## সোঁপন্থী শক্তিৰ প্ৰত্যাহ্বান

ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে দেশৰ সকলো বামপন্থী আৰু গণতান্ত্ৰিক শক্তিকেই সকিয়াই দিয়ে যে সোঁপন্থী প্ৰতিক্ৰিয়াশীল শক্তিৰ এই

প্ৰত্যাহ্বানৰ পৰা সন্তুৰজনক বিপদক আওকান কৰাটো মৰাত্মক ভুল হ'ব । এই কথা জনা দৰ্কাৰ যে দেশৰ দুৰ্ঘোৰ প্ৰতিক্ৰিয়াশীল আৰু পুঁজিবাদী শক্তি আৰু লগতে মাৰ্কিণ সাম্ৰাজ্যবাদ আৰু ইয়াৰ কেন্দ্ৰীয় চোৰাংচোৱা বিভাগে এই জোঁটক সমৰ্থন দিছে, সকলো প্ৰকাৰে সঞ্চয় কৰাৰ প্ৰতিশ্ৰুতি দিছে । সকলোবোৰ প্ৰতিক্ৰিয়াশীল আঞ্চলিকতাবাদী উগ্ৰ-জাতীয়তাবাদী আৰু বিভেদ পন্থীয়েই এই জোঁটৰ লগ লাগিব ।

বামপন্থী আৰু গণতান্ত্ৰিক শিবিৰৰ মাজত থকা বিভেদৰ কাৰণেই সোঁপন্থী শক্তি সমূহৰ পৰা অহা বিপদৰ ভয়াবহতা বেছি হৈছে । "বৃহৎ জোঁট"এ বামপন্থী শিবিৰৰ বিভেদৰ সুযোগ গ্ৰহণ কৰিয়েই ক্ষান্ত থকা নাই, বামপন্থী শিবিৰত ভাঙোন আনিবলৈও সৰ্ব্বোতো ভাৱে চেষ্টা কৰিছে । "কংগ্ৰেছ বিৰোধিতা"ৰ নামত দুই এক বামপন্থী দলকো সিহঁতৰ ফলীয়া কৰাৰ চেষ্টা চলাইছে । ইয়াৰ দ্বাৰা সিহঁতে 'জনপ্ৰিয়' হোৱাৰ আশাপোষণ কৰে আৰু শ্ৰমিক শ্ৰেণীক ভুৱা দিবলৈ বিচাৰিছে ।

এছ, এছ, পি, আৰু পি, এছ পি,ৰ লগত খোলা ভাৱেই সিহঁতে আলোচনা আৰম্ভ কৰিছে ।

এই সন্দৰ্ভত এছ, এছ, পিৰ নেতৃত্বই একে সময়তে চলোৱা দুটা চেষ্টাৰ কথা অনুধাৱন কৰাৰ প্ৰয়োজন আছে । এওঁলোকে এহাতে "বিষয় বস্তু আৰু সময় ভিত্তিক কাৰ্য্যসূচী"ৰ "বামপন্থী" ঐক্য গঢ়াৰ আহ্বান দিছে আৰু আনহাতে "কংগ্ৰেছ বিৰোধিতা"ৰ নামত সোঁপন্থী প্ৰতিক্ৰিয়াশীল শক্তি আৰু বামপন্থী দল সমূহৰ মাজত যোগসূত্ৰ স্থাপনৰ বাবে কথোপ-কথন আৰম্ভ কৰিছে ।

অলপতে ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে সংযুক্ত চ'ছিয়েলিষ্ট পাৰ্টিয়ে সাধাৰণ সম্পাদকলৈ লিখা চিঠিত এই ক্ষেত্ৰত পাৰ্টিৰ মতামত স্পষ্ট ভাবে ব্যক্ত কৰিছে ।

## প্ৰয়োজন—বামপন্থী ঐক্যৰ

ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে "বিষয় বস্তু আৰু সময় ভিত্তিক"

OKDISCD

কার্য্যসূচীৰ কেন্দ্ৰ কৰি বামপন্থী ঐক্য গঢ়ি তোলাৰ যি কোনো প্ৰচেষ্টাকে ওলগ জনাব। কিন্তু আমাৰ পাৰ্টিয়ে এটা কথা স্পষ্ট কৰি দিব বিচাৰে যে এই বামপন্থী ঐক্য আৰু কাৰ্য্যসূচীৰ অঙ্কুৰ উদ্ভাৱন কৰিব লাগিব সাম্ৰাজ্যবাদ, সামন্তবাদ আৰু একচেটীয়া পুঁজিবাদৰ বিৰুদ্ধে অবিৰত ভাৱে চলোৱা সংগ্ৰামৰ পৰা। সেয়ে প্ৰস্তাৱিত বামপন্থী ঐক্য আৰু কাৰ্য্যসূচীৰ এটা প্ৰধান বিষয় বস্তু হ'ব লাগিব "বৃহৎ জোঁট আৰু ইয়াৰ সকলো নীতিৰ বিৰুদ্ধে আন্দোলন পৰিচালনা কৰাৰ।" সোঁপন্থী প্ৰতিক্ৰিয়াশীল শক্তি সমূহৰ লগত বিদ্ৰূপাত্মক ভাৱে হাত মিলাই বামপন্থী ঐক্য গঢ়ি তুলিব নোৱাৰি।

ইন্দিৰাপন্থী কংগ্ৰেছৰ দ্বাৰা পৰিচালিত চৰকাৰৰ জনস্বাৰ্থ বিৰোধী নীতি আৰু কামৰ বিৰুদ্ধে আন্দোলন চলোৱা আৰু কেন্দ্ৰত এক নতুন বামপন্থী গণতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠাৰ কাৰণে চলোৱা আন্দোলনৰ লগতে ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে দেশৰ সকলো বামপন্থী আৰু গণতান্ত্ৰিক শক্তিকেই গণতন্ত্ৰ আৰু সমাজবাদৰ প্ৰতি সোঁপন্থী প্ৰতিক্ৰিয়াশীল শক্তিৰ পৰা আহিব ধৰা দোৰ্ঘোৰ বিপদৰ প্ৰতি সাৱধান হ'বলৈ আবেদন জনাইছে। তেনে এখন নতুন চৰকাৰ প্ৰতিষ্ঠাৰ লগত সোঁপন্থী প্ৰতিক্ৰিয়াশীল শক্তি আৰু ইয়াৰ নীতিক চূড়ান্ত ভাৱে পৰাস্ত কৰা বিষয়টো ওতঃ প্ৰোত ভাৱে জড়িত।

সোঁপন্থী প্ৰতিক্ৰিয়াশীল শক্তি সমূহে নিৰ্দ্দিষ্ট পথ বাছি লৈ গণতান্ত্ৰিক আৰু বামপন্থী শিবিৰৰ প্ৰতি কঠোৰ প্ৰত্যাহ্বান জনোৱাৰ সময়ত, দেশত প্ৰতিক্ৰিয়াশীল আৰু প্ৰগতিশীল শক্তি সমূহৰ মাজত অতি কঠোৰ সংগ্ৰাম আৰম্ভ হোৱাৰ আগমুহূৰ্ত্তত, মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিয়ে তেওঁলোকৰ ভুল আৰু সংকীৰ্ণতা বাদী নীতি আৰু বেছি বিধ্বংসনাৰ ফালে আগবঢ়াই নিয়াৰ সম্ভাৱনা থকা প্ৰস্তাৱ গ্ৰহণ কৰাটো অতি পৰিতাপৰ কথা।

অলপতে কলিকতাত অনুষ্ঠিত হোৱা মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰ

কেন্দ্ৰীয় কমিটিয়ে ভাৰতৰ কমিউনিষ্ট পাৰ্টি আৰু ইন্দিৰাপন্থী কংগ্ৰেছৰ বিৰুদ্ধে সকলো শক্তি প্ৰয়োগ কৰি যুঁজ কৰাৰ পথ বাছি লৈছে।

কেৰালা আৰু পশ্চিমবঙ্গৰ যুক্তফ্ৰণ্ট চৰকাৰ সমূহৰ পতন আৰু যুক্তফ্ৰণ্ট প্ৰধান ৰাজনৈতিক দলবোৰৰ পৰা চি, পি, এম এঘৰীয়া হোৱাৰ কাৰণ, আত্ম-সমালোচনামূলক দৃষ্টি ভঙ্গীৰে বিশ্লেষণ কৰি, তেওঁলোকে অনুসৰণ কৰা বিভেদপন্থী আৰু সংকীৰ্ণতা বাদী নীতি শুধৰাই লোৱাৰ পৰিবৰ্ত্তে কমিউনিষ্ট পাৰ্টি আৰু ইন্দিৰাপন্থী কংগ্ৰেছৰ ওপৰতেই সকলো দোষ জাপি দিয়াৰ প্ৰয়াস পাইছে। এফালে কেৰালা আৰু পশ্চিম বঙ্গত তেওঁলোকৰ বিভেদ কামী নীতিৰ প্ৰতি ইন্দিৰা কংগ্ৰেছৰ সমৰ্থন আদায়ৰ কাৰণে হেঁচা আৰু কুৎস ৰটনা; আন ফালে চিণ্ডিকেট পন্থী কংগ্ৰেছৰ লগত গোপনে চুক্তিত উপনীত হ'বলৈ (কেৰেলাৰ তিনিটা উপনিৰ্ব্বাচনত কৰাৰ দৰে), মাৰ্ক্স বাদী কমিউনিষ্ট পাৰ্টিয়ে ভাৰতৰ কমিউনিষ্ট পাৰ্টি আৰু ইন্দিৰা কংগ্ৰেছ লগ লাগি তেওঁলোকৰ বিৰুদ্ধে শত্ৰুতা আচৰণ কৰাৰ মনেপতা শত্ৰু বাটি উলিয়াইছে আৰু তাৰেই ছেলুত কমিউনিষ্ট পাৰ্টিৰ বিৰুদ্ধে 'পৱিত্ৰ' যুদ্ধ ঘোষণা কৰিছে।

## মাৰ্ক্স বাদীৰ প্ৰসংশাত প্ৰতিক্ৰিয়া

মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰ প্ৰস্তাৱত সোঁপন্থী প্ৰতিক্ৰিয়া শীল শক্তিৰ "বৃহৎ জোঁটৰ" পৰা সম্ভৱপৰ বিপদৰ কথা চেগা-চোৰোগাকৈ উল্লেখ থাকিলেও ভাৰতৰ কমিউনিষ্ট পাৰ্টি আৰু ইয়াৰ সহযোগত যুটিয়া তাৰে কাম কৰিবলৈ অহা ৰামপন্থী গণতান্ত্ৰিক শক্তিৰ বিৰুদ্ধেহে তেওঁলোকে যুদ্ধ ঘোষণা কৰিছে। যথাৰ্থতে মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰ প্ৰস্তাৱটোৱে স্পষ্ট ভাৱে ঘোষণা কৰিছে "ইন্দিৰা গান্ধীৰ কংগ্ৰেছে সোঁপন্থী কমিউনিষ্ট পাৰ্টি আৰু আন কেইটামান দলৰ লগত মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰ বিৰুদ্ধে গঠন কৰিব খোজা যুক্তফ্ৰণ্টক খতম নকৰাকৈ এই বিপদ (সোঁপন্থী শক্তিৰ) এৰাই যাব নোৱাৰি।"

ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে চলোৱা সকলো গণ আন্দোলন আৰু গণ-

সংগ্ৰামৰ বিৰুদ্ধে, ভাৰতৰ কমিউনিষ্ট পাৰ্টি অংশীদাৰ হিচাবে থকা, যুক্তফ্ৰন্টৰ সকলো শক্তিৰ বিৰুদ্ধে, ভাৰতৰ কমিনিষ্ট পাৰ্টিৰ লগত যুটীয়া ভাৱে আন্দোলন চলাব খোজা সকলো বামপন্থী আৰু গণতান্ত্ৰিক শক্তিৰ বিৰুদ্ধে নগ্নভাৱে আক্ৰমণ চলোৱাৰ কাৰণে মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিয়ে সোঁপন্থী শক্তিৰ লগত সহযোগ কৰাৰ চূড়ান্ত সুবিধাবাদী নীতি গ্ৰহণ কৰিছে সঞ্জীবৰেডিড ৰাজাজী আৰু কামৰাজে। মাৰ্ক্সবাদী কমিউনিষ্টক "জাতিয়তাবাদী" দল বুলি উচ্চৈঃস্বৰে প্ৰশংসা কৰাটো এটা বিক্ষিপ্ত ঘটনা নহয়।

মাৰ্ক্সবাদী কমিউনিষ্ট দলৰ প্ৰস্তাৱত ইন্দিৰা গান্ধীৰ কংগ্ৰেছ চৰকাৰৰ জনস্বাৰ্থ বিৰোধী নীতিৰ বিৰুদ্ধে আন্দোলন চলোৱাৰ কথা লিপিবদ্ধ কৰিছে। কিন্তু ইয়াক বাস্তৱত কাৰ্য্যকৰী কৰাৰ অলপো চেষ্টা কৰা নাই। উদাহৰণ স্বৰূপে মাটি দখলৰ কাৰণে সমগ্ৰ ভাৰত ব্যাপি সদৌ ভাৰত কৃষক সভা আৰু মাৰ্ক্সবাদী দলৰ নেতৃত্বত থকা কৃষক সভা সংগঠনে যুটীয়াভাৱে সংগ্ৰাম কৰাৰ চুক্তি স্বাক্ষৰিত হৈছিল। কিন্তু তেওঁলোকে মুকলি ভাৱেই সেই চুক্তি ভঙ্গ কৰিছে। অকল সেয়ে নহয় পশ্চিমবঙ্গত যুক্তফ্ৰন্ট চৰকাৰৰ আমোলত কৃষক শ্ৰেণীয়ে লাভ কৰা সুবিধা সমূহ জোঁতদাৰ বিলাকে কাঢ়ি নিয়াৰ সময়ত আমাৰ পাৰ্টিয়ে আৰম্ভ কৰা মাটি দখল আন্দোলনক "দুঃসাহসিক কাৰ্য্য" বুলি অস্বীকাৰ কৰিছে আৰু ইয়াক "কঠোৰ ভাৱে" দমন কৰিবলৈ চৰকাৰক আহ্বান জনাইছে।

মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰ শেহতীয়া প্ৰস্তাৱত পোৱা এই দলৰ নীতি সলনিৰ ইঙ্গিতে, বামপন্থী আৰু গণতান্ত্ৰিক শক্তিৰ ঐক্যৰ প্ৰতি ভয়াবহ বিপদৰ সম্ভাৱনা বহন কৰিছে। ইয়াৰ অৰ্থই হ'ল-বামপন্থী গণ-তান্ত্ৰিক শিবিৰৰ অধিক বিভাজন, গণ-আন্দোলন আৰু শ্ৰেণী সংগ্ৰামত অধিক বিভাজন। সোঁপন্থী প্ৰতিক্ৰিয়াশীল শক্তি বিলাকে সিহঁতৰ সকলো শক্তিৰ সমাৱেশৰ ভয়াবহ বিপদৰ সৃষ্টি কৰাৰ সময়তেই বামপন্থী শক্তিৰ বিভাজন আৰম্ভ হ'ল। ইয়াৰ অৰ্থ এয়ে যে, কেন্দ্ৰীয় চৰকাৰ নিজৰ

OKDISCD

দখললৈ অনাৰ সোঁপন্থী প্ৰতিক্ৰিয়াশীল শক্তিৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে যুঁজাৰ পথ মাৰ্ক্সবাদী দলে পৰিহাৰ কৰিছে। শক্তিশালী আন্দোলনৰ যোগে মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰ নীতি পৰাস্ত কৰিব নোৱাৰিলে বামপন্থী গণতান্ত্ৰিক ঐক্য গঢ়ি তোলা সম্ভৱ নহয়, প্ৰতিক্ৰিয়া আৰু ন্যস্ত স্বাৰ্থৰ প্ৰত্যাহ্বান প্ৰতিহত কৰাও সম্ভৱ নহয়।

## আৱশ্যক বামপন্থী শক্তিৰ উদ্যোগ

প্ৰতিক্ৰিয়াশীল শক্তি আৰু দলবোৰে সিহঁতৰ সকলো শক্তি সংহত কৰাৰ কাৰণে আৰু সিহঁতৰ বিৰুদ্ধে থিয় দিয়া শক্তিৰ মাজত বিভেদ সৃষ্টিৰ কাৰণে যৎপৰোনাস্তি চেষ্টা চলাইছে। সময়ৰ প্ৰয়োজন পূৰাব পৰাকৈ বামপন্থী শক্তি সমূহে যথোপযুক্ত উদ্যোগ গ্ৰহণ কৰিব পৰা নাই। কেৱল সেয়ে নহয়। নতুন নতুন বিভেদকামী শক্তিয়ে মূৰ ডাঙি উঠিছে। মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰ সাম্প্ৰতিক প্ৰস্তাৱেই তাৰ উদাহৰণ।

উপযুক্ত কাৰ্য্যসূচীৰ ভিত্তিত বামপন্থী গণতান্ত্ৰিক ঐক্য গঢ়ি তোলাৰ ক্ষেত্ৰত ইন্দিৰা গান্ধী কংগ্ৰেত থকা গণতান্ত্ৰিক অংশই এতিয়াও অনমনীয়তা আৰু সংকোচ ভাৱ পোষণ কৰি আছে। নীতিৰ মৌলিক পৰিৱৰ্ত্তন আৰু সোঁপন্থী শিবিৰৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ এয়ে হ'ল উপযুক্ত পথ। জনসঙ্ঘ, ৰাষ্ট্ৰীয় স্বয়ং সেৱক সঙ্ঘ, প্ৰতিক্ৰিয়া শীল আৰু সাম্প্ৰদায়িক শক্তি সমূহৰ বিৰুদ্ধে প্ৰধান মন্ত্ৰীয়ে লোৱা বলিষ্ঠ নীতিয়েই হ'ল এক মাত্ৰ প্ৰত্যক্ষ কাম। ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে এই নীতিক আদৰণি জনাইছে।

## সোঁপন্থী শক্তিৰ প্ৰত্যাহ্বান

সাম্প্ৰদায়িকতাবাদ আদিৰ বিৰুদ্ধে, ধৰ্ম্ম নিৰপেক্ষতা আৰু সংখ্যালঘু মুছলমান সকলৰ ন্যায্য অধিকাৰ ৰক্ষাৰ কাৰণে যি কোনো দল আৰু সংগঠনে চলোৱা আন্দোলনৰ লগত ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে সম্পূৰ্ণভাৱে সমৰ্থন জনাব ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কাৰ্য্য নিৰ্ব্বাহক কমিটিয়ে দাবী কৰে যে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সঙ্ঘ, জামাট-ই-ইচমিলা

আৰু শিৱসেনা আদি ফেচিষ্টবাদী সংগঠনবোৰ নিষিদ্ধ কৰিব লাগে।

সোঁপন্থী প্ৰতিক্ৰিয়াৰ শক্তি সমন্বয়ৰ পৰা উদ্ভৱ হোৱা প্ৰত্যাহ্বানৰ উপলব্ধি কৰিবলৈ আৰু ইয়াক প্ৰতিৰোধৰ বিহিত ব্যৱস্থা হাতত ল'বলৈ ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে দেশৰ সকলো বামপন্থী আৰু গণতান্ত্ৰিক শক্তিক আৰু লগতে ইন্দিৰা গান্ধী কংগ্ৰেছত থকা গণতান্ত্ৰিক অংশকো আৱেদন জনাইছে।

বিশ্বৰ বিভিন্ন দেশৰ ইতিহাসৰ তিক্ত অভিজ্ঞতাই ইয়াকে সোঁৱৰাই দিয়ে যে ফেচিষ্টবাদী উগ্ৰ প্ৰতিক্ৰিয়াশীল সোপন্থী শক্তিসমূহে বামপন্থী গণতান্ত্ৰিক শিবিৰৰ অনৈক্য আৰু বিভাজনৰ সুযোগ গ্ৰহণ কৰি শাসন যন্ত্ৰ দখল কৰাত সক্ষম। বামপন্থী শক্তিসমূহে প্ৰতিক্ৰিয়াৰ বিৰুদ্ধে যুক্তফ্ৰণ্ট গঠন কৰিব নোৱাৰাৰ বাবেই এনে হোৱাটো সম্ভৱ হৈ উঠে। ইন্দিৰা গান্ধী কংগ্ৰেছৰ ভিতৰত থকা সকলো গণতান্ত্ৰিক ব্যক্তিকেই এই অভিজ্ঞতাৰ পৰা শিক্ষালাভ কৰিবলৈ আৰু সময় থাকোতেই "বৃহৎ জোঁটৰ" ভয়ানক বিপদ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে আহ্বান জনাইছে।

প্ৰকৃত গণতান্ত্ৰিক আৰু সমাজবাদী সমাজ প্ৰতিষ্ঠাত আন্তৰিকভাৱে আগ্ৰহান্বিত, সাম্ৰাজ্যবাদ বিৰোধী আৰু ধৰ্ম্মনিৰপেক্ষতাৰ সমৰ্থন কৰা সকলো কংগ্ৰেছী লোকেই অন্ধ কমিউনিষ্ট বৈৰী পৰিহাৰ কৰি সৰ্ব্বনিম্ন কাৰ্য্যসূচীৰ ভিত্তিত বাহিৰত যুটীয়া আন্দোলন পৰিচালনাৰ কাৰণে বামপন্থী গণতান্ত্ৰিক শক্তিৰ লগত সহযোগ কৰিবলৈ কমিউনিষ্ট পাৰ্টিয়ে আহ্বান জনায়। সকলো দ্বিধা সংকোচ ত্যাগ কৰি ইন্দিৰা গান্ধী চৰকাৰৰ নীতিৰ মৌলিক আৰু বৈপ্লৱিক পৰিবৰ্ত্তনৰ কাৰণে আন্দোলন চলাই কৃতকাৰ্য্য হ'ব পাৰিলেহে প্ৰতিক্ৰিয়াক চূৰান্ত ভাৱে পৰাজিত কৰিব পৰা যাব।

দেশৰ ৰাজনৈতিক জীৱনক বামপন্থীমুখী কৰাৰ কাৰণে আৰু প্ৰতি বিপ্লৱী শক্তিক পৰাজিত কৰাৰ কাৰণে, নিম্নতম কাৰ্য্যসূচীৰ ভিত্তিত দেশত বামপন্থী গণতান্ত্ৰিক ঐক্য গঠনৰ ক্ষেত্ৰত আৰু পলম কৰা উচিত নহয়। ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে কেন্দ্ৰীয় ভাৱে আৰু ৰাজ্যিক ভিত্তিত সকলো বামপন্থী আৰু গণতান্ত্ৰিক দলৰ লগতে আলাপ আলোচনা চলাব আৰু আন

OKDISCD

বামপন্থী গণতান্ত্রিক দলে চলোৱা প্ৰচেষ্টাকে জমাব।

## এই স্থিতাৱস্থা ভাঙিব লাগিব

বৰ্ত্তমান পৰিস্থিতিত প্ৰতিক্ৰিয়াৰ শক্তিক দুৰ্ব্বল কৰি, বামপন্থী ঐক্যৰ শক্তিক একেত্ৰিত কৰাৰ কাৰণে, বামপন্থী গণতান্ত্ৰিক শিবিৰত দেখা দিয়া স্থিতাৱস্থা আঁতৰোৱাৰ ক্ষেত্ৰত আমাৰ পাৰ্টিয়ে সমগ্ৰ দেশব্যাপি অৱান্ত কৰা বৃহৎ গণ আন্দোলন আৰু গণ সংগ্ৰামে মুখ্য ভূমিকা গ্ৰহণ কৰিব। ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ সকলো শাখাই এই কথা ভালদৰে উপলব্ধিৰে সৰ্ব্বশক্তি প্ৰয়োগ কৰি এই আন্দোলন আগবঢ়াই নিব লাগিব। কৃষক সভা আৰু কৃষি শ্ৰমিক সংঘৰ লগত যুক্তভাৱে পাৰ্টিয়ে সমগ্ৰ দেশতে আৰম্ভ কৰা মাটি দখল আন্দোলনে ইয়াকেই প্ৰমাণ কৰিছে।

সমগ্ৰ ভাৰত জুৰি পাৰ্টিৰ সকলো শক্তি আৰু ক্ষমতা গণসংগ্ৰামত প্ৰয়োগ কৰিব লাগিব। বৰ্ত্তমানৰ পৰিস্থিতিৰ প্ৰতিক্ৰিয়াৰ শক্তিক দুৰ্ব্বল কৰি গণতান্ত্ৰিক আৰু বামপন্থী শক্তিক শক্তিমন্ত কৰাৰ ক্ষেত্ৰত এনে আন্দোলনৰ গুৰুত্ব আৰু ভূমিকাৰ কথা পাৰ্টিয়ে সঠিক ভাৱে উপলব্ধি কৰিব পাৰিব লাগিব। জনসাধাৰণে বিচাৰে বৈপ্লৱিক পৰিৱৰ্ত্তন আৰু জনসাধাৰণে তাৰ কাৰণে সংগ্ৰাম কৰিবলৈ সাজু।

OKDISCD